জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩/২০২১**

# যুগদ্ৰষ্টা সাহিত্যিক, সংবাদ জগতৰ মহীৰূহ হোমেন বৰগোহাঞিৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে প্ৰয়াত হোমেন বৰগোহাঞিৰ শেষকৃত্য ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন**

## শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে জনালে শ্ৰদ্ধাঞ্জলি

**দিছপুৰ, ১২ মে' ঃ** যুগদ্ৰষ্টা সাহিত্যিক, স্বনামধন্য কথাশিল্পী, অসমৰ সাহিত্য আৰু সাংবাদিকতাৰ জগতখনৰ মহীৰূহস্বৰূপ হোমেন বৰগোহাঞিৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ বৌদ্ধিক আকাশৰ এক উজ্জ্বলতম জ্যোতিষ্ক হোমেন বৰগোহাঞিৰ বিয়োগত অসমে এগৰাকী বিশিষ্ট চিন্তাবিদ আৰু বৌদ্ধিক জগতৰ অনন্য প্ৰতিভাক হেৰুৱালে। প্ৰয়াত হোমেন বৰগোহাঞিয়ে অসমীয়া সাহিত্য আৰু সংবাদ জগতলৈ যি অনন্য অৱদান আগবঢ়াই গ'ল সেয়া অসমৰ জনসাধাৰণে সদায়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি বৃহত্তৰ সমাজখনলৈ অমূল্য বৰঙনি যোগাই গৈছে। প্ৰয়াত বৰগোহাঞিৰ চিন্তা আৰু কৰ্মৰাজি সদায়ে নতুন প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এইগৰাকী বিশিষ্ট সাহিত্যিক, চিন্তাবিদ তথা সাংবাদিকৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত হোমেন বৰগোহাঞিৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকলক গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নিৰ্দেশক্ৰমে প্ৰয়াত হোমেন বৰগোহাঞিৰ শেষকৃত্য নৱগ্ৰহ শ্মশানত ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়। শেষকৃত্য অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই উপস্থিত থাকি তেখেতৰ নশ্বৰ দেহত মাল্যাৰ্পণেৰে শেষ শ্ৰদ্ধা নিবেদন কৰে।

**বঃভাঃ / পুঃডেঃ**
**১২/০৫/২০২১**